২ ডিচেম্বৰ,২০১৬

আৰ বি আই/২০১৬-১৭/১৭০
ডি পি এছ এছ. চি অ.পি ডি. নং ১৪২১/০২.১৪.০০৩/২০১৬-১৭

অধ্যক্ষ/পৰিচালন সঞ্চালক/মুখ্য কাৰ্যবাহী বিষয়া
সকলো সূচীভূক্ত বাণিজ্যিক বেংক আৰু আৰ আৰ বি সমন্বিতে/চহৰীয়া সমবায় বেংক/ৰাজ্যিক সমবায় বেংক/জিলা কেন্দ্রীয় সমবায় বেংক/কর্তৃত্বপ্রাপ্ত কাৰ্ড পেমেন্ট নেটৱৰ্ক/হোৱাইট লেবেল এ টি এম অপাৰেটৰ/প্রদান বেংকসমূহ/ক্ষুদ্র বিত্তীয় বেংক

মহাশয়/মহাশয়া,

**কাৰ্ড দাখিল লেনদেনৰ বাবে আধাৰ ভিত্তিক প্রমাণীকৰণ**

আমাৰ circular DPSS.CO.PD.No.892/02.14.003/2016-17 dated September 29, 2016 ৰ সন্দৰ্ভলৈ মনোযোগ আকৰ্ষণ কৰা হল যাৰ জৰিয়তে ১ জানুৱাৰী,২০১৭ৰ পৰা কাৰ্যকৰী হোৱাকৈ সকলো নতুন কাৰ্ড দাখিল গ্রহণ আন্তঃগাঁথনিক আধাৰভিত্তিক বায়োমেট্রিক প্রমাণীকৰণ ব্যৱহাৰ কৰিও প্রদান লেনদেন প্রক্রিয়াভুক্ত সন্মত কৰাটো নিশ্চিত কৰিবলৈ বেংকবোৰক দিহা দিয়া হৈছিল।

২. আমাৰ দৃষ্টিগোচৰ হৈছে যে এনে আধাৰ-ভিত্তিক প্রণালীৰ চাহিদা আৰু যোগানৰ ব্যৱধান হেতুকে গ্রহণ আন্তঃগাঁথনিৰ প্রয়োগ হাৰ মন্থৰ হৈছে। সেয়ে পৰ্যালোচনাক্রমে আধাৰসন্মত প্রণালী প্রয়োগৰ সময় ৩০ জুন,২০১৭ পৰ্যন্ত বঢ়াই দিবলৈ সিদ্ধান্ত লোৱা হৈছে। অৱশ্যে ওপৰোক্ত নিৰ্দেশাৱলী মানি চলাটো নিশ্চিত কৰাৰ আৱশ্যকতা হিচাপে বেংকবিলাকে পোষক পৰ্যায়, নেটৱৰ্ক পৰ্যায়ৰ সালসলনি আৰু যতন প্রস্তুতি সমন্বিতে আৱশ্যকীয় যা-যোগাৰবোৰ কৰি থাকিব।

৩. তদুপৰি এইটোও স্পষ্ট কৰি দিয়া হল যে আমাৰ circular dated September 29, 2016 ত প্রদত্ত নিৰ্দেশাৱলী নতুন কাৰ্ড গ্রহণ আন্তঃগাঁথনি প্রয়োগৰ বাবেহে। বৰ্তমানে থকা কাৰ্ড গ্রহণ আন্তঃগাঁথনিক আধাৰভিত্তিক বায়োমেট্রিক প্রমাণীকৰণ ব্যৱহাৰ কৰি প্রদান লেনদেন সন্মত কৰাৰ সন্দৰ্ভত প্রযোজ্য হবলগীয়া সময়সীমাৰ বিষয়ে উচিত সময়ত জনোৱা হব।

৪. প্রদান তথা বন্দোবস্তি প্রণালী আইন, ২০০৭ (২০০৭ৰ আইন ৫১)ৰ ধাৰা ১৮ সমন্বিতে ধাৰা ১০(২)ৰ অধীনত এই নিৰ্দেশ জাৰি কৰা হল।

৫. এই চাৰ্কুলাৰৰ প্রাপ্তি স্বীকাৰ কৰে যেন।

আপোনাৰ বিশ্বাসী,

**(নন্দ এছ. ডাৱে)**

মুখ্য মহা প্রৱন্ধক